# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-06-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে সমাগত নীট পৰীক্ষা পুনৰ অনুষ্ঠিত হোৱাৰ সময়ত বা তাৰ পূৰ্বে কোনো ধৰণৰ অনীতি বা অনিয়মৰ আশ্ৰয় লোৱা ব্যক্তি তথা ছাত্ৰ-ছাত্ৰীৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি অনুষ্ঠিত হোৱা এখন বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে দিশপুৰত অনুষ্ঠিত বৈঠকখনত এই পৰীক্ষাৰ সৈতে জড়িত সংশ্লিষ্ট সকলো পক্ষৰ শীৰ্ষ বিষয়ববীয়াসকলৰ সৈতে বিতংভাৱে আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে এই পৰীক্ষা স্বচ্ছ আৰু নিকাভাৱে অনুষ্ঠিত হোৱাটো সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিষয়াসকলক যাৱতীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। পৰীক্ষাৰ্থীসকল পৰীক্ষা কেন্দ্ৰত প্ৰৱেশ কৰাৰ পূৰ্বে দুই তৰপীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজেৰে পাৰ হ'ব লাগিব। পৰীক্ষা কেন্দ্ৰসমূহৰ পৰা ১০০ মিটাৰ দূৰত্বলৈকে ১৪৪ ধাৰা জাৰি কৰা হ'ব। তদুপৰি বৈধ প্ৰৱেশ-পত্ৰ লগত থকা পৰীক্ষাৰ্থীসকলৰ বাবে অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনৰ বাহনসমূহত পৰীক্ষাৰ দিনটোত যাতায়ত বিনামূলীয়া হ'ব। পৰীক্ষা কেন্দ্ৰসমূহত যাতে কোনোৱে মোবাইল ফোন ব্যৱহাৰ কৰিব নোৱাৰে সেয়া সুনিশ্চিত কৰাৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা লোৱা হ'ব। পৰীক্ষা কেন্দ্ৰসমূহ ২৪ ঘণ্টাই আৰক্ষীৰ নিৰাপত্তা বেষ্টনীৰ অধীনত থাকিব। তদুপৰি প্ৰশ্নকাকতসমূহ সামৰিক বাহিনীৰ বিষয়াৰ জৰিয়তে সৰবৰাহ কৰা হ'ব। সকলো পৰীক্ষা কেন্দ্ৰতে চিচি টিভিৰ দ্বাৰা পৰ্যবেক্ষণৰ ব্যৱস্থা কৰা হ'ব।

ooo

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। ৰাজ্যৰ পৰ্যটন মন্ত্ৰী অজন্তা নেওগে আজি অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে থকা-খোৱাৰ ব্যৱস্থা আৰু অন্যান্য প্ৰস্তুতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে পাণ্ডু জাহাজঘাট, কামাখ্যা ৰে'ল ষ্টেচন আৰু নাহৰবাৰীস্থিতি আৱাস শিবিৰসমূহ পৰিদৰ্শন কৰে আৰু সংশ্লিষ্ট বিষয়াসকলক ভক্তসকলৰ সুবিধা, সুৰক্ষা আৰু সুব্যৱস্থাপনা নিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। কামাখ্যা মন্দিৰৰ সমীপৰ এখন ল'জ আয়োজিত সংবাদ মেলত শ্ৰীমতী নেওগে কয় যে অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু বন্দৰ আৰু পাণ্ডুৰ নাহৰবাৰীত তিনিটা শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত হেজাৰ হেজাৰ ভক্তৰ বাবে থকা-খোৱাৰ সুব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে কামাখ্যা ধামলৈ উঠি যোৱা পথৰ ১০০ মিটাৰ দূৰে দূৰে শিবিৰ স্থাপন কৰা হৈছে। তেওঁ লগতে পথত খোৱাপানীৰো পৰ্যাপ্ত দিহা কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকাল ১২ বছৰ সম্পূৰ্ণ হোৱাৰ অংশ হিচাপে আজি ৰাজ্যিক বিজেপিৰ উদ্যোগত গুৱাহাটী মহানগৰীৰ বৰাগাঁৱৰ শ্বহীদ স্মাৰক ক্ষেত্ৰত বিশেষ প্ৰদৰ্শনী আয়োজন কৰা হয়। প্ৰদৰ্শনীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্যকালৰ আঁচনি, উন্নয়নমূলক কামসমূহৰ সন্দৰ্ভত সবিশেষ প্ৰদৰ্শন কৰা হয়। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক বিজয় গুপ্তাকে ধৰি ভালেমান নেতা-কৰ্মী উপস্থিত থাকে।

এই উপলক্ষে শিলচৰৰ ডাকবাংলো ৰোডত বিজেপিৰ কাচাৰ জিলা সমিতিৰ উদ্যোগত বিশেষ প্ৰদৰ্শনীৰ আয়োজন কৰা হয়। শিলচৰৰ সাংসদ পৰিমল শুক্লবৈদ্যই এই প্ৰদৰ্শনী উদ্বোধন কৰে। অহা ১৯ জুনলৈকে এই প্ৰদৰ্শনী চলি থাকিব। সেয়েহে আজিৰ দিনটোত উপস্থিত থাকিব নোৱাৰা লোকসকলক তথ্য সমৃদ্ধ প্ৰদৰ্শনীখন চাবলৈ আয়োজক সমিতিয়ে আহ্বান জনাইছে।

০০০

মানস ৰাষ্ট্ৰীয় উদ্যানত বিগত ৩ বছৰত চোৰাংচিকাৰীয়ে এটাও গঁড় অথবা বাঘ হত্যা কৰিবলৈ সমৰ্থ হোৱা নাই বুলি প্ৰকাশ কৰি  বন আৰু পৰিৱেশ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই আজি সন্তুষ্টি প্ৰকাশ কৰে। বিগত ৩ বছৰৰ তথ্যই এই কথা প্ৰতিফলিত কৰা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ বন্যপ্ৰাণী সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত আগশাৰীৰ স্থান গ্ৰহণ কৰাৰ উদ্দেশ্যে চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰাখিছে। ইউনেস্কৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ মৰ্যাদা লাভ কৰা মানস ৰাষ্ট্ৰীয় উদ্যানত এসময়ত চোৰাংচিকাৰীয়ে সন্ত্ৰাসৰ সৃষ্টি কৰিছিল। সম্প্ৰতি ৰাষ্ট্ৰীয় উদ্যানখনত বন্যপ্ৰাণী সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে বন কৰ্তৃপক্ষ, স্থানীয় জনসাধাৰণ তথা চৰকাৰে যৌথ প্ৰচেষ্টা অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় উদ্যানখনৰ চোৰাংচিকাৰী বিৰোধী অভিযান শক্তিশালী কৰি তোলা হৈছে। এই উদ্দেশ্যে পৰ্যবেক্ষন ব্যৱস্থা আধুনিক আৰু উন্নত কৰি তোলা হৈছে। তদুপৰি আন্তঃগাঁথনিও শক্তিশালী কৰি তোলা হৈছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানতো বিগত কিছু বছৰ ধৰি চোৰাংচিকাৰীয়ে গঁড় চিকাৰ কৰিব পৰা নাই।

০০০

মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰতে আজি নেডাৰলেণ্ডছক জয়ৰ বাবে ২১০ ৰানৰ বিজয় লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতে প্ৰথমে বেটিং কৰি স্মৃতি মান্ধানাৰ ৪৭ টা বলত ৭৪ ৰানৰ সহযোগত নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২০৯ ৰান সংগ্ৰহ কৰে।

প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে বাতৰি যুগুতোৱাৰ পৰলৈকে ৬ অভাৰত ১ টা উইকেট হেৰুৱাই ৩৯ ৰান সংগ্ৰহ কৰি খেলি আছে। ভাৰতে গ্ৰুপৰ প্ৰথম খেলত পাকিস্তানৰ মহিলা দলক পৰাস্ত কৰি শক্তিশালী আৰম্ভণি কৰিছে।

০০০

ঃঃ সমাপ্ত ঃঃ